# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
# ASSAM JATIYA BIDYALAY EDUCATION COUNCIL

AJBEC
অজাবি শিক্ষা সংসদ

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020

Ph. : 0361-2654229, 98642 02080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com


প্ৰসংগ ঃ এজবেক/০৯/০৫/২০২৬-২৭ তাৰিখ ঃ ১৯-০৫-২০২৬
Ref : Date :

## অসম জাতীয় বিদ্যালয়ত সদৌ অসম আন্তঃজাতীয় বিদ্যালয় সংগীত প্ৰতিযোগিতা প্ৰথম স্থানত ৰূপকোঁৱৰ জাতীয় বিদ্যালয়, বাঘজান (তিনিচুকীয়া জিলা)ৰ জেচিম নয়ন বৰুৱা

**নুনমাটি, গুৱাহাটী, ১৯ মে'** : অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ উদ্যোগত আজি অসম জাতীয় বিদ্যালয় প্ৰাংগণত সদৌ অসম আন্তঃজাতীয় বিদ্যালয় 'জুবিন গাৰ্গৰ কণ্ঠৰ অসমীয়া গীত'ৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত ৰাজ্যখনৰ ২৩ খন জিলাৰ ৪৬ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিখন জিলাই প্ৰথমে জিলাভিত্তিক প্ৰতিযোগিতাৰ আয়োজন কৰি দুগৰাকীকৈ প্ৰতিযোগী নিৰ্বাচন কৰি ৰাজ্যিক ভিত্তিৰ প্ৰতিযোগিতালৈ প্ৰেৰণ কৰিছিল। পুৱা ৯:৪৫ বজাৰ পৰা অনুষ্ঠিত এই প্ৰতিযোগিতাৰ আৰম্ভণিতে হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সভাপতি দিলীপ কুমাৰ দত্তচৌধুৰীয়ে। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে অসম জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। ভাষণ প্ৰদান কৰি তেওঁ কয় যে শৈক্ষিক কাৰ্য্যসূচীৰ উপৰি সাংস্কৃতিক, বৌদ্ধিক আদি আটাইবোৰ দিশৰ সৰ্বাংগীন উন্নতি হ'বলৈ বিদ্যালয় পৰ্য্যায়তে এটি ভেটি নিৰ্মাণ কৰাৰ দৰকাৰ। সেইবাবে শিক্ষাৰ্থীৰ সামগ্ৰিক বিকাশৰ সুযোগৰ বাবে এনেধৰণৰ অনুষ্ঠান অসম জাতীয় বিদ্যালয় শিক্ষা সংসদে প্ৰতিবছৰে আয়োজন কৰি আহিছে। প্ৰতিযোগিতাত বিচাৰক হিচাপে উপস্থিত থাকে অসমৰ বিশিষ্ট গীতিকাৰ, সুৰকাৰ দিগন্ত ভাৰতী; বিশিষ্ট কণ্ঠশিল্পী ৰূপম ভূঞা আৰু 'আমাৰ অসম' কাকতৰ কাৰ্য্যবাহী সম্পাদক তথা গীতিকাৰ গৌতম শৰ্মা। প্ৰতিযোগিতা সম্পৰ্কীয় বক্তৃতা প্ৰদান কৰি অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সমন্বয়ক তথা বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই কয় যে জুবিন গাৰ্গ ৰাজনৈতিকভাৱে আটাইতকৈ সচেতন ব্যক্তি আছিল। অসমৰ এক অশান্ত পৰিৱেশত গান গাবলৈ আৰম্ভ কৰি ভূপেন হাজৰিকাৰ পিছতে সংগীতক এটি নতুন গতি প্ৰদান কৰিছে অসমৰ প্ৰথমগৰাকী ৰকষ্টাৰ জুবিন গাৰ্গে। প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে ৰূপকোঁৱৰ জাতীয় বিদ্যালয়, বাঘজান (তিনিচুকীয়া জিলা)ৰ জেচিম নয়ন বৰুৱাই। দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে সাহিত্যৰথী জাতীয় বিদ্যালয়, দুলীয়াজান, (ডিব্ৰুগড় জিলা)ৰ দিক্ষীতা বৰুৱা আৰু নীলাচল জাতীয় বিদ্যালয়, গুৱাহাটী (কামৰূপ দক্ষিণপাৰ)ৰ শ্ৰুতি মাধুৰ্য্যই। বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰে ক্ৰমে অভিজ্ঞান জাতীয় বিদ্যালয়, বৰবালি (লখিমপুৰ জিলা) ৰ হিমাংশু বৰা ; ঢেকীয়াজুলি জাতীয় বিদ্যালয়, সোণাৰীগাঁও ( যোৰহাট জিলা)ৰ জস্মিঠা কলিতা আৰু অসম জাতীয় বিদ্যালয়, নুনমাটি (কামৰূপ-ম)ৰ নিষ্ঠা বৰগোহাঁইয়ে। প্ৰতিযোগিতাত প্ৰথম স্থানপ্ৰাপ্ত প্ৰতিযোগীক এটি ট্ৰফী, মানপত্ৰ আৰু নগদ ধন ১০,০০০/- টকা পুৰস্কাৰ হিচাপে আগবঢ়োৱা হয়। দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ প্ৰতিযোগীলৈ ট্ৰফী, মানপত্ৰৰ লগতে যথাক্ৰমে ৭,০০০/- আৰু ৫,০০০/- টকা আগবঢ়োৱা হয়। বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰা প্ৰতিযোগীসকললৈ নগদ ৩,০০০/- টকা, কিতাপ আৰু মানপত্ৰ আগবঢ়োৱা হয়। অনুষ্ঠানৰ আৰম্ভণি ঘোষণা কৰে অসম জাতীয় বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক ধ্ৰুৱ শৰ্মাই। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় অসম জাতীয় বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী অপৰাজিতা দত্তই। আজিৰ অনুষ্ঠানৰ আঁত ধৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী যুথিকা পাটোৱাৰী, উদয়া ফুকন আৰু শিক্ষক ভাস্কৰজ্যোতি হালৈয়ে। আজিৰ এই আন্তঃজাতীয় বিদ্যালয় সংগীত প্ৰতিযোগিতাৰ আহ্বায়কৰ দায়িত্বত আছিল অসম জাতীয় বিদ্যালয়ৰ উপাধ্যক্ষ পংকজ দত্ত আৰু জ্যেষ্ঠ শিক্ষয়িত্ৰী অপৰাজিতা দত্ত।

| | | | |
|---|---|---|---|
| (দিলীপ কুমাৰ দত্ত চৌধুৰী) | (ডাঃ নাৰায়ণ শৰ্মা) | (ঘনশ্যাম মেধি) | (অসীম কৃষ্ণ বৰুৱা) |
| সভাপতি | সচিব | অধ্যক্ষ | সমন্বয়ক |
| অজাবি শিক্ষা সংসদ | অজাবি শিক্ষা সংসদ | অসম জাতীয় বিদ্যালয় | অজাবি শিক্ষা সংসদ |